# বৈৰী প্ৰমাণা

দীপশিখা ভাগৱতী, বিষয় শিক্ষয়িত্ৰী,ইংৰাজী বিভাগ, ডচন উচ্চতৰ মাধ্যমিক আৰু
বহুমুখী বিদ্যালয়,নগাঁও

বিৰক্তি এটাৰ দৰে লহপহকৈ বাঢ়ি অহা জিকা পুলিটো,

উভালি পেলাবই খুজিছিলো।

এনেয়েও জিকা ভাল নাপাঁও,

তাতে আকৌ কোনোৱে  ক'লে, অলাগতিয়াল শিপাৰ বাঢ়ন হেনো সততেই বেছি।

বুৰঞ্জীবোৰ ভাবি গুণি

আজুৰি আনিব বিচাৰিছিলো ।

ক'ৰপৰা জানো, ঘৰচিৰিকা এটা হৈ গছজোপাই মাত লগালে!

এইডৰা শস্যভুমিৰ সাম্ৰাজ্যত, ইমান দুখীয়ানে তুমি?

যেনেকৈ মৃত্যুৰ বাবেই মাথোন জন্মৰ সৃষ্টি নহয়,

স্বৰ্গৰ বাবেই নহয় নৰক,

ভোকৰ বাবেও সেউজীয়া হৈ নুফুলে অৰণ্যভুমিৰ স্পৰ্শ।

শিপাবোৰৰ খামোচ মাৰি ধৰা লুণীয়া মাটিত,

বিষ হৈ থাকে,

কোনোবা নগৰৰ বৈৰাগ্য মনহন।

ভগ্ন মন্দিৰৰ নিচুকণিত  প্ৰাণ পোৱা বিস্তীৰ্ণ সাম্ৰাজ্যত,

অনাৰ্য্য ভোকৰ জঁক ধৰা মগ্ন মহল্লা।

তেজীমলা সাৰ পালে, নে চৰাইৰ পাখিৰ আৰ্য্য আন্ধাৰ,

জন্মান্তৰী অনাক্ষৰ যৌনতাত,

উপেক্ষিত সমৃদ্ধিৰ মগন মৌনতা।

জন্মৰ বাবেই মাথো মৃত্যু নাছিল।

অভেদ্য ভুমিৰ বিচলিত বনত, মাতাল কুঠাৰৰ ৰংবাজ গুলাল।

গছজোপাত মায়া সাগৰ, অঘোৰ উত্তাল।

বৈৰী প্ৰমাণা।